ভাৰতীয় জনতা পাৰ্টি

(কেন্দ্ৰীয় কাৰ্য্যালয়)

১১,অশোক ৰোড, নতুন দিল্লী - ১১০০০১

দুৰভাষ নং -২৩০০৫৭০০, ফেক্স স্থ ২৩০০৫৭৮৭

দিনাংক- **১২ ফেব্ৰুৱাৰী ২০১৪**

<u>প্ৰেছ বিজ্ঞপ্তি</u>

**বি জে পি ৰ ৰাষ্ট্ৰীয় সভপতি শ্ৰীযুত ৰাজনাথ সিঙে অন্ধ্ৰপ্ৰদেশ বিভক্ত কৰাৰ বাবে জেষ্ঠ নেতা শ্ৰীযুত এম ভেংকয়া নাইডুয়ে দিয়া মন্তব্যৰ বিৰুদ্ধে অন্ধ্ৰপ্ৰদেশৰ বিধানসভাৰ সদস্য শ্ৰীযুত ইয়েন নাম শ্ৰীনিৱাসা ৰেড্ডীয়ে দিয়া মন্তব্যত গম্ভীৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে । এই সন্দৰ্ভত তেওঁ বিজেপি ৰ ৰাজ্যিক সভাপতি শ্ৰীযুত জি কৃষ্ণা ৰেড্ডীক উচিত ব্যৱস্থা লোৱাৰ বাবে নিৰ্দেশ দিছে ।**

**পাছত শ্ৰীযুত ইয়েন নাম শ্ৰীনিৱাসা ৰেড্ডীয়ে নিজৰ মতামতক লৈ ক্ষমা খুজিছে আৰু শ্ৰীযুত এম ভেংকয়া নাইডুয়েও ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক সভাপতি দুয়োকে শ্ৰীযুত ইয়েন নাম শ্ৰীনিৱাসা ৰেড্ডীৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা নলব'লৈ কৈছে যিহেতু তেওঁ ৰাজহুৱাভাৱে নিজৰ ভুল স্বীকাৰ কৰি ক্ষমা কৰিছে ।**

**এই ঘটনাক লৈ শ্ৰীযিত ৰাজনাথ সিঙে ৰাজ্যিক সভাপতিক কৈছে যে তেওঁ সুনিশ্চিত কৰিব লাগে যাতে তেওঁৰ দ'লৰ কোনো নেতাই ৰাজহুৱা স্থানত অদৰকাৰী অথবা অনুপযুক্ত মন্তব্য দিয়াৰ পৰা বিৰত থাকে ।**

**শ্ৰীযুত ৰাজনাথ সিঙে বিজেপি ৰ ৰাষ্ট্ৰীয় কাৰ্য্যকাৰী সদস্য শ্ৰীযুত পি চন্দ্ৰশেখৰক শ্ৰীযুত ইয়েন নাম শ্ৰীনিৱাসা ৰেড্ডীৰ সপক্ষে দিয়া মন্তব্যক টোকি ৰাখিছে । তেওঁ ৰাজ্যিক সভাপতিৰ পৰা এই বিষয়ত এক প্ৰতিবেদন বিচাৰিছে আৰু ইয়াক পোৱাৰ পাছত জৰুৰী ব্যৱস্থা ল'ব ।**

**কেন্দ্ৰীয় দ'লেও তেওঁলোকৰ কিছুমান নেতাৰ বিৰুদ্ধে বিভিন্ন দ'লে দিয়া ভাবুকিক গুৰুত্ব প্ৰদান কৰিছে আৰু তেওঁলোকক দ'লৰ অনুশাসন আৰু শৃংখলাবদ্ধতাক মানি চলাৰ নিৰ্দেশ জাৰী কৰিছে । তেওঁ নিজৰ দ'লৰ ৰাজ্যিক কাৰ্য্যকৰ্ত্তাক ভাবি চিন্তি কাৰ্য্য কৰাৰ পৰামৰ্শ দিছে যাতে তেওঁলোক কংগ্ৰেছ আৰু আন দ'লৰ চতুৰতাত বন্দী নহয় ।**

**শ্ৰীযুত ৰাজনাথ সিঙে পুনঃ কৈছে যে বিজেপি তেলেংগনা ৰাজ্য গঠনক লৈ প্ৰতিশ্ৰুতিবদ্ধ আৰু লগতে জাৰী কৰিছে যে সীমানধৰা অঞ্চলৰ জনসাধাৰণৰ স্বাৰ্থ যাতে উপেক্ষা নহয় ।**

অৰুণ কুমাৰ জৈন
কাৰ্য্যালয় সচিব